জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৫/২০২১

## সোণাপুৰ চৰকাৰী বৃদ্ধাশ্ৰমৰ নৱনিৰ্মিত আৱাসগৃহৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসমৰ জ্যেষ্ঠ নাগৰিকৰ বাবে ৰাষ্ট্ৰীয় হেল্পলাইন মুকলি

## ৰাজ্য চৰকাৰৰ ১০০ দিন পুৰ্ণ হোৱা উপলক্ষে মুখ্যমন্ত্ৰীয়ে ১০০০ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিলে

**দিছপুৰ, ২০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনস্থ সোণাপুৰ চৰকাৰী বৃদ্ধাশ্ৰমৰ নৱনিৰ্মিত আৱাস গৃহটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ইয়াত বসবাস কৰা আৱাসীসকলৰ বাবে উৎসৰ্গিত কৰে। উল্লেখ্য যে অসম চৰকাৰৰ ৰাজ্যিক পুঁজি (এছ অ' পি ডি) ৰ জৰিয়তে মুঠ ৩.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত এই নতুন ভৱনটিয়ে বৃদ্ধাশ্ৰমত বসবাস কৰা জ্যেষ্ঠ নাগৰিকসকলক উপকৃত কৰিব। আনহাতে, অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ ৰাজ্যখনতে নিৰ্মাণ কৰিবলগীয়া ১০০০ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰে। আনহাতে, এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসমৰ জ্যেষ্ঠ নাগৰিকৰ বাবে এটা ৰাষ্ট্ৰীয় হেল্পলাইন (হেল্পলাইন নম্বৰ-১৪৫৬৭) মুকলি কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ ১০০ দিন পূৰ্তি উপলক্ষে এই নৱনিৰ্মিত ভৱনটি উদ্বোধন কৰিবলৈ পাই তেওঁ অতিশয় সুখী হৈছে বুলি উল্লেখ কৰি কয় যে ইয়াৰ জৰিয়তে ইয়াত থকা মাতৃসকলৰ বহুদিনীয়া এক অভাৱ পূৰণ হ'ল। তেওঁ লগতে কয় যে মাতৃসকলৰ সেৱাৰ বাবে এই বৃদ্ধাশ্ৰমৰ গৃহটি উৎসৰ্গিত কৰা হৈছে। তেওঁ সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগক ধন্যবাদ জ্ঞাপন কৰি কয় যে মন্ত্ৰীগৰাকীয়ে লোৱা পদক্ষেপৰ বাবে জ্যেষ্ঠ নাগৰিকসকলৰ এই গৃহটি সম্পূৰ্ণ কৰাটো সম্ভৱ হৈ উঠিল।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ জ্যেষ্ঠ নাগৰিকসকলৰ সকলোধৰণৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। সম্ভৱপৰ সকলো দিশেৰে জ্যেষ্ঠ নাগৰিকসকলক সহায় কৰিবলৈ ৰাজ্য চৰকাৰে কাম কৰি আহিছে বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক তেওঁলোকৰ পিতৃ-মাতৃৰ সৈতে সময় অতিবাহিত কৰাৰ বাবে ৭ দিন চুটি মঞ্জুৰ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ১০০ কোটি টকা ব্যয় সাপেক্ষে ৬৫ বিঘা ভূমি সামৰি সকলো সুবিধা সন্নিৱিষ্টকৰণেৰে বকোত এটা বৃদ্ধলোকৰ আৱাস আৰু শিশুৰ আশ্ৰয় গৃহৰ বাবে সংহত চৌহদ নিৰ্মাণ কৰিব। এই প্ৰকল্পটো ২ বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। তেওঁ লগতে কয় যে প্ৰতিখন জিলাতে একোটাকৈ আদৰ্শ বৃদ্ধনিৱাস নিৰ্মাণ কৰা হ'ব আৰু চৰকাৰে সময় নিৰ্দ্ধাৰিতভাৱে এই প্ৰকল্প ৰূপায়ণৰ বাবে প্ৰস্তুতি চলাই আছে। মুখ্যমন্ত্ৰীয়ে

## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

কয় যে বৰ্তমানে থকা ৬ হাজাৰ টকা অংগনৱাড়ী কেন্দ্ৰক এক আদৰ্শ ঠাই হিচাপে গঢ়ি তোলাৰ বাবে সকলো সুবিধা প্ৰদান কৰা হ'ব যাতে শিশুসকলৰ বিকাশ সাধনত ইয়ে অৰ্থৱহ অৰিহণা যোগাবলৈ সক্ষম হয়। তেওঁ লগতে কয় যে শিশুৰ শাৰীৰিক আৰু মানসিক উত্তৰণ সাধনৰ বাবে ৰাজ্য চৰকাৰে পুষ্টিকৰ খাদ্য যোগান ধৰাৰ বাবে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰিছে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কিছু সংখ্যক হিতাধিকাৰীৰ মাজত হুইল চেয়াৰ বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াত থকা আৱাসীসকলৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণ সু-নিশ্চিত কৰাৰ বাবে পৰৱৰ্তী কিছু মাহৰ ভিতৰতে সমাজ কল্যাণ বিভাগে অগ্ৰাধিকাৰৰ ভিত্তিত গ্ৰহণ কৰিবলগীয়া কেতবোৰ ব্যৱস্থাৰাজিৰ বিষয়ে আলোকপাত কৰে।

আজিৰ এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ সমষ্টিৰ বিধায়ক অতুল  বৰা, পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে থকা ৰাজ্যিক আয়োগৰ অধ্যক্ষ ড° সুনীতি চাংকাকতি, সমাজ কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ চাহু, সঞ্চালক বিভাষ মোদী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২০/০৮/২০২১**